**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 17-07-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

HEADLINE

১। ইন্দোৰে একেৰাহে অষ্টমবাৰৰ বাবে দেশৰ সবাটোকৈ পৰিষ্কাৰ চহৰৰ খিতাপ লাভ কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে য়েমেনত নিমিষা প্ৰিয়াৰ বিষয়টো সংবেদনশীল আৰু কেন্দ্ৰীয় চৰকাৰে বিষয়টোৰ ক্ষেত্ৰত সম্ভাব্য সকলোধৰণৰ সহায় আগবঢ়াইছে বুলি মন্তব্য কৰিছে।

৩। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৃষি বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানসমূহক প্ৰধানমন্ত্ৰীৰ কৃষি ধনধান্য যোজনাৰ অধীনত কৃষি উৎপাদন বৃদ্ধিত অৱদান আগবঢ়াবলৈ আহ্বান জনাইছে।

৪। নিষিদ্ধ ঘোষিত উগ্ৰপন্থী গোট আলফা স্বাধীনে স্থাপন কৰা আই ই ডি উদ্ধাৰৰ ঘটনা সংক্ৰান্তত ৰাষ্ট্ৰীয় তদন্ত সংস্থাই আৰু দুজন লোকক গ্ৰেপ্তাৰ কৰিছে।

*আৰু*

৫। লক্ষ্মী জাদালাই মধ্যপ্ৰদেশৰ গোৱালিয়াৰত অনুষ্ঠিত বিশেষভাৱে সক্ষম লোকৰ ৰাষ্ট্ৰীয় টেনিছ চেম্পিয়নশ্বিপ ২০২৫ত সোণৰ পদক অৰ্জন কৰিছে।

ooooo

ইন্দোৰে একেৰাহে অষ্টমবাৰৰ বাবে দেশৰ সবাটোকৈ পৰিষ্কাৰ চহৰৰ খিতাপ লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বাৰ্ষিক পৰিষ্কাৰ-পৰিচ্ছন্নতা পৰীক্ষাত ছুৰটে দ্বিতীয় আৰু নৱীমুম্বাই তৃতীয় স্থান লাভ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত ২০২৪-২৫ বৰ্ষৰ **স্বচ্ছ ছৰ্বেকক্ষণ** বঁটাসমূহ প্ৰদান কৰে। এই উপলক্ষে দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ দৃষ্টিভংগীৰ ক্ষেত্ৰত পৰিষ্কাৰ-পৰিচ্ছন্নতা এটা গুৰুত্বপূৰ্ণ দিশ বুলি মন্তব্য কৰে। তেওঁ লগতে দেশক পৰিষ্কাৰ, সুস্থ আৰু উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে আগবাঢ়ি আহিবলৈ দেশবাসীৰ প্ৰতি আহ্বান জনায়। শ্ৰীমতী মুৰ্মুৱে কয়, যে পৰিষ্কাৰ-পৰিচ্ছন্নতা প্ৰচীন কালৰে পৰা ভাৰতীয় সংস্কৃতি আৰু আধ্যাত্মিক চেতনাৰ মূল উপাদান হৈ আহিছে। দেশত ২০২৫ চনত পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু আস্থাৰ অভূতপূৰ্ব সংগম দেখিবলৈ পোৱা গৈছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

তিনিৰ পৰা ১০ লাখ জনসংখ্যাৰ চহৰ শাখাত নয়দা আটাইতকৈ পৰিষ্কাৰ চহৰ হিচাপে পৰিগণিত হৈছে। এই শাখাত চণ্ডিগড় আৰু মহিশুৰ ক্ৰমে দ্বিতীয় আৰি তৃতীয় স্থান লাভ কৰিছে। আহমেদাবাদে ১০ লাখৰ অধিক জনসংখ্যা চহৰ শাখাত প্ৰথম স্থান অৰ্জন কৰিছে। আজিৰ অনুষ্ঠানত বিভিন্ন শাখাত মুঠ ৭৮ টা বঁটা প্ৰদান কৰা হয়।

ooooo

য়েমেনত নিমিষা প্ৰিয়াৰ বিষয়টো সংবেদনশীল আৰু কেন্দ্ৰীয় চৰকাৰে বিষয়টোৰ ক্ষেত্ৰত সম্ভাব্য সকলোধৰণৰ সহায় আগবঢ়াইছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি

বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে কেন্দ্ৰীয় চৰকাৰে আইনী সাহায্য আগবঢ়াইছে আৰু নিমিষাৰ পৰিয়ালক সহায় আগবঢ়াবলৈ এগৰাকী অধিবক্তা নিয়োগ কৰিছে। তেওঁ কয়, যে চৰকাৰে দূতাবাসৰ সৈতে নিয়মীয়া যোগাযোগৰ ব্যৱস্থা কৰিছে আৰু বিষয়টোৰ নিষ্পত্তিৰ বাবে স্থানীয় কৰ্তৃপক্ষ আৰু পৰিয়ালৰ সদস্যৰ সৈতে অহৰহ যোহাযোগ ৰক্ষা কৰি আছে। শ্ৰী জয়ছোৱালে কয়, যে য়েমেনৰ স্থানীয় কৰ্তৃপক্ষই কালি হ'বলগীয়া নিমিষাৰ ফাঁচী পিছুৱাই দিছে। তেওঁ কয়, যে নতুন দিল্লী মহলে বিষয়টো সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু যথাসম্ভৱ সাহায্য আগবঢ়াইছে।

ব্ৰিটেইন-ভাৰত মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত মুখপাত্ৰগৰাকীয়ে কয়, যে আলোচনা সঠিক দিশে আগবাঢ়িছে আৰু দিল্লীত ফেব্ৰুৱাৰীত পৰৱৰ্তী লানি আলোচনা অনুষ্ঠিত হ'ব। উভয়পক্ষই এই বছৰতে মুক্ত বাণিজ্য চুক্তি সম্পাদন হোৱাটো বিচাৰে বুলি তেওঁ মন্তব্য কৰে।

উত্তৰ আটলাণ্টিক চুক্তি সংস্থা নাটোৰ সচিব প্ৰধান মাৰ্ক ৰুটৰ বিবৃতি সন্দৰ্ভত শ্ৰী জয়ছোৱালে কয়, যে ভাৰতে এই ঘটনাক্ৰম শূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। জনসাধাৰণৰ শক্তি চাহিদা সুৰক্ষিত কৰাটো ভাৰতৰ বাবে অগ্ৰাধিকাৰৰ বিষয় বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰে বজাৰত উপলভ্য সামগ্ৰী আৰু গোলকীয় পৰিস্থিতি অনুসৰি কাম কৰে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা বিভিন্ন দেশৰ নাগৰিকৰ বহিষ্কাৰ সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰী জয়ছোৱালে কয়, যে বৰ্তমানলৈকে দেশখনৰ পৰা এহেজাৰ ৫৬৩ জন ভাৰতীয়ক বহিষ্কাৰ কৰা হৈছে। ইয়াৰে অধিকাংশ লোকে বাণিজ্যিক বিমানেৰে স্বদেশলৈ উভতি আহিছে বুলি তেওঁ মন্তব্য কৰে।

ৰাছিয়াত ১৬ গৰাকী ভাৰতীয় সন্ধানহীন হৈ থকা ঘটনা সন্দৰ্ভত শ্ৰী জয়ছোৱালে কয়, যে কেন্দ্ৰীয় চৰকাৰে নতুন দল্লী আৰু মস্কোত থকা ৰাছিয়ান কৰ্তৃপক্ষৰ সৈতে নিয়মীয়াভাৱে যোগাযোগ ৰক্ষা কৰি আহিছে। ইজৰাইলে ছিৰিয়াত চলোৱা বিমান আক্ৰমণ সম্পৰ্কে সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত মুখপাত্ৰগৰাকীয়ে কয়, যে নতুন দিল্লী মহলে ছিৰিয়াৰ ঘটনাক্ৰমৰ ওপৰত নজৰ ৰাখি আছে।

০০০০০

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৃষি বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানসমূহক প্ৰধানমন্ত্ৰীৰ কৃষি ধনধান্য যোজনাৰ অধীনত কৃষি উৎপাদন বৃদ্ধিত অৱদান আগবঢ়াবলৈ আহ্বান জনাইছে। বিহাৰৰ সমষ্টিপুৰৰ পুছাত আজি ড০ ৰাজেন্দ্ৰ প্ৰসাদ কৃষি বিশ্ববিদ্যালয়ৰ চতুৰ্থ সমাৱৰ্তন অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। শ্ৰী চৌহানে কয়, যে এই আঁচনিৰ অধীনত কৃষি উৎপাদন আৰু উৎপাদনশীলতা বৃদ্ধিৰ বাবে ১০০ খন চহৰ বাচনি কৰা হৈছে আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি এই প্ৰস্তাৱত অনুমোদন দিছে। মন্ত্ৰীগৰাকীয়ে বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু গৱেষকসকলক কৃষকসকলৰ কল্যাণৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। কৃষি ধনধান্য যোজনাৰ অধীনত বিহাৰৰ কেইবাখনো জিলা সামৰি লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰী সিঙে কয়, যে চৰকাৰে উৎপাদন বৃদ্ধি আৰু ব্যয় হ্ৰাস কৰাৰ লক্ষ্য স্থিৰ কৰিছে। চৰকাৰে কৃষি উৎপাদনত হোৱা লোকচানৰ বাবে সাহায্য আগবঢ়াইছে বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত চাউল উৎপানৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ হৈছে আৰু ৫০ হাজাৰ কোটিৰে অধিক টকা মূল্যৰ বাচমতি চাউল ৰপ্তানি কৰিছে।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কয়, যে বিগত ১০০ বছৰত সমবায়সমূহে দেশৰ উন্নয়নত যথেষ্ট অৱদান আগবঢ়াইছে। আজি জয়পুৰৰ সমীপৰ ডাডিয়া গাঁৱত আয়োজিত সহযোগিতা তথা ৰোজগাৰ উৎসৱত অংশগ্ৰহণ কৰি শ্ৰী শ্বাহে এইদৰে কয়। তেওঁ কয়, যে পৰৱৰ্তী ১০০ বছৰ সমবায়ৰ আৰু ৯৮ শতাংশ গ্ৰাম্য অঞ্চল সমবায়ৰ সক্ৰিয় ভূমিকা আছে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ বিভিন্ন বিভাগত নতুনকৈ নিযুক্তি লাভ কৰা ৮ হাজাৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰও বিতৰণ কৰে।

ooooo

নিষিদ্ধ ঘোষিত উগ্ৰপন্থী গোট আলফা স্বাধীনে স্থাপন কৰা আই ই ডি উদ্ধাৰৰ ঘটনা সংক্ৰান্তত ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই য়ে আৰু দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। ইয়াকে লৈ এই ঘটনা সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা তিনিলৈ বৃদ্ধি পাইছে। তদন্ত সংস্থাটোৱে কৈছে যে, গুৱাহাটীৰ দিছপুৰৰ লাষ্টগেটৰ সমীপত এই আই ই ডিটো উদ্ধাৰ হৈছিল আৰু যোৱা বছৰ স্বাধীনতা দিৱসৰ সময়ত অসমত একাধিক বিস্ফোৰন সংঘটিত কৰাৰ ষড়যন্ত্ৰ হিচাপে এই বোমাটো স্থাপন কৰা হৈছিল। এন আই এ প্ৰকাশ কৰা মতে ধৃত ব্যক্তি দুজন আলফা স্বাধীনৰ সন্ত্ৰাস বিয়পোৱা আৰু সাৰ্বভৌমত্ব, নিৰাপত্তা আৰু অখণ্ডতালৈ ভাবুকি কঢ়িয়াই অনাৰ ষড়যন্ত্ৰৰ অংশ আছিল।

ooooo

কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি-নিষ্পত্তি আৰু পেন্সন বিভাগৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি কয়, যে যোৱা ১১ বছৰত চৰকাৰে নাগৰিক কেন্দ্ৰিক নোহোৱা প্ৰায় এহেজাৰ ৬০০ নিয়ম বিলুপ্ত কৰিছে। ভূৱনেশ্বৰত আজি বিয়লি কেন্দ্ৰীয় চৰকাৰ আৰু ওড়িশা চৰকাৰৰ প্ৰশাসনিক সংস্কাৰ তথা ৰাজহুৱা অভিযোগ বিভাগৰ দ্বাৰা যৌথভাৱে আয়োজিত **সু-শাসন পদ্ধতি** শীৰ্ষক দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰি ড০ সিঙে এই কথা প্ৰকাশ কৰে। তেওঁ স্বচ্ছতা, দুৰ্নীতি বিৰোধী ব্যৱস্থা আৰু সু-শৃংখলিত প্ৰশাসনৰ জৰিয়তে নাগৰিকৰ জীৱন সৰল কৰাৰ বাবে সু-শাসনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই সন্মিলনৰ লক্ষ্য হৈছে, ৰাজহুৱা প্ৰশাসনৰ উৎকৃষ্টতাৰ বাবে প্ৰধানমন্ত্ৰী বঁটাৰ অধীনত ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰা উদ্ভাৱনী পদ্ধতিসমূহৰ ওপৰত আলোকপাত কৰা।

ooooo

পাকিস্তানত যোৱা তিনি সপ্তাহ ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত সংঘটিত বিভিন্ন ঘটনাত সমগ্ৰ দেশতে কমেও ১২৪ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে ২৬৪ জন লোক আঘাতপ্ৰাপ্ত হৈছে। পাঞ্জাব প্ৰদেশত কালি বৰষুণৰ ফলত ঘৰৰ ছাদ খহি পৰাৰ ঘটনাত আৰু বিদ্যুৎপৃষ্ট হৈ ৪৪ জন লোকৰ মৃত্যু হয়। বেলুচিস্তানতো একে ধৰণৰ ঘটনাত ১৬ জন লোকৰ মৃত্যু হয়। পাঞ্জাবৰ লাহোৰ, অ'কাৰা, ফৈছালাবাদ ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহত সৰ্বাধিক লোকৰ মৃত্যু হয়। আনহাতে ঝেলাম আৰু ছেনাব নৈৰ বৰ্ধিত জলস্তৰে পাঞ্জাবৰ মূল চহৰসমূহত বানৰ আশংকা বৃদ্ধি কৰিছে।

ooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মণ্ডাভিয়াই নতুন দিল্লীত আজি খেল' ভাৰত সন্মিলন মুকলি কৰে। এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ দি ড০ মণ্ডাভিয়াই ক্ৰীড়াক জন আন্দোলন হিচাপে গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে ক্ৰীড়া সংঘ, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহকে ধৰি সকলো অংশীদাৰৰ সামূহিক প্ৰচেষ্টাৰ জৰিয়তে ভাৰতে ইয়াক প্ৰাপ্ত কৰিব পাৰে।

০০০০০

এছিয়াৰ শীৰ্ষ বাছনিৰ পেৰা লন টেনিছ খেলুৱৈ লক্ষ্মী জাদালাই মধ্যপ্ৰদেশৰ গোৱালিয়াৰত অনুষ্ঠিত বিশেষভাৱে সক্ষম লোকৰ ৰাষ্ট্ৰীয় টেনিছ চেম্পিয়নশ্বিপ ২০২৫ত সোণৰ পদক অৰ্জন কৰিছে। এই বিজয়েৰে ১৫ বছৰীয়া জাদালাই ইজিপ্তৰ কাইৰোত অনুষ্ঠিত হ'বলগীয়া বিশেষ অলিম্পিক বিশ্ব গেমছ ২০২৭ত অংশগ্ৰহণৰ বাবে আনুষ্ঠানিকভাৱে যোগ্যতা অৰ্জন কৰে। ১৭ বছৰ অনুৰ্ধৰ শাখাত প্ৰতিদ্বন্দ্বিতা কৰা জাদালাই পোনপটীয়া ছেটত জয়লাভ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত জাদালাই কয়, যে এই জয়ে বিশেষ অলিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰাৰ তেওঁৰ সপোন পূৰণ কৰিলে।

০০০০০

ঃঃ সমাপ্ত ঃঃ